[২০০৮] ১১ এছ. চি.আৰ. ৫৬১

পন্নম চান্দৰৈয়া

বনাম

অন্ধ্ৰ প্ৰদেশ চৰকাৰ

(ফৌজদাৰী আপীল নং ১১৮২  চন ২০০৮)

৩০ জুলাই, ২০০৮

[ন্যায়াধীশ ড০ অৰিজিৎ পচায়ত আৰু পি. সথাশিৱম]

ভাৰতীয় দণ্ডবিধি, ১৮৬০ ৰ ধাৰা ১৪৭, ১৪৮, ১৪৯ আৰু ৩০২ সৈতে ধাৰা ১৪৯ আৰু ধাৰা ৩২৪ লগতে ধাৰা ১৪৯ আৰু ৪৪৮ |

মাৰপিট আৰু হত্যা- ১৬ জনীয়া অভিযুক্তৰ দলে অস্ত্ৰৰে সজ্জিত হৈ মৃতকক আক্ৰমণ  আৰু আঘাট কৰে- মৃতক আঘাট প্ৰাপ্ত হৈ চিকিৎসালয়ত মৃত্যু হয়— এজাহাৰ- অনুসন্ধান- অভিযোগনামা - আত্মীয় আৰু প্ৰত্যক্ষ দৰ্শীৰ সাক্ষ্যৰ ওপৰত ভিত্তি কৰি বিচাৰ আদালতত সকলো অভিযুক্তক অবৈধ সমাবেশ গঠন কৰি মৃতকক আক্ৰমণ আৰু হত্যাৰ অভিযোগত দোষী সাব্যস্ত কৰা হয় আৰু যাৱজ্জীৱন কাৰাদণ্ড বিহা হয়- উচ্চ ন্যায়ালয়ে  অভিযুক্ত নং এ-২, এ-৪ ,এ-৫, এ-৬, এ-১০, এ-১১ আৰু এ-১৪ ৰ পৰা এ-১৬ ৰ বাহিৰে আন অভিযুক্তক দোষী সাব্যস্ত কৰা ৰায় বাহাল ৰাখে- সত্য-সত্যতা বিচাৰ- *বিচাৰ কৰা হ'ল* -সম্পৰ্কীয় হোৱাটো সাক্ষী এজনৰ বিশ্বাস যোগ্যতাক প্ৰভাৱিত কৰা কোনো কাৰক হব নোৱাৰে- সাধাৰণতেই এটা সম্পৰ্কই প্ৰকৃত অপৰাধীসকলক লুকুৱাই থৈ আন কোনো নিৰপৰাধীক অভিযুক্ত নকৰে - মিছা অভিযোগেৰে অভিযুক্ত কৰা বুলি দাবি উত্থাপন কৰিলে সেইটোৰ সমথৰ্নত সুনিশ্চিত আৰু উপযুক্ত তথ্য প্ৰদান কৰিব লাগিব- ন্যায়ালয়ে সাক্ষীৰ প্ৰমাণ বিশ্লেষণ কৰি ইয়াৰ বিশ্বাসযোগ্যতা জানিবলৈ সাক্ষীসকলৰ প্ৰমাণ বিশ্লেষণ কৰাৰ ক্ষেত্ৰত এক সাৱধান দৃষ্টিভংগী অৱলম্বন কৰিব লাগিব- যদিহে সাক্ষ্যৰ অধিকাংশ সাক্ষ্যই বিসংগতিপূৰ্ণ হয় আৰু বৈ যোৱা আংশিক সাক্ষ্য খিনি অভিযুক্তক দোষী সাব্যস্ত কৰাৰ কাৰণে যথেষ্ট হয় তেন্ত তেওঁক দোষী সাব্যস্ত কৰা ৰায় বাহাল ৰাখিব পৰা যায়- সহ-অভিযুক্ত সকলক দোষমুক্ত কৰিলেও আপীলকাৰী অভিযুক্তক দোষী সাব্যস্ত কৰি দিয়া ৰায় বাহাল ৰাখিব পৰা যায় - অৱশ্যে এই গোচৰত তথ্য আৰু পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি ভাৰতীয় দণ্ড বিধি, ১৮৬০ ৰ ধাৰা ৩০২ ৰ সলনি ধাৰা ৩০৪ ত দোষী সাব্যস্ত কৰাটো উপযুক্ত বুলি ধৰা হয় - সেইমতে আপীলকাৰীক যি ধাৰাত দোষী সাব্যস্ত কৰি শাস্তি প্ৰদান কৰা হৈছিল তাক সলনি কৰা হয় ।

*প্ৰবাদ :*

"প্ৰবাদ"- কাৰোবাৰ এটা কথা মিছা হ'লে তেওঁৰ সকলো কথাই মিছা প্ৰতিপন্ন হয়" - ইয়াৰ প্ৰয়োগ । গোচৰীয়া পক্ষৰ মতে, ঘটনাৰ দিনা ১৬ জনীয়া অভিযুক্তৰ দলটো অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ মৃতকৰ ঘৰত প্ৰৱেশ কৰি তেওঁক আক্ৰমণ কৰে । যেতিয়া গোচৰীয়া পক্ষৰ সাক্ষী নং২ অৰ্থাত মৃতকৰ পিতৃয়ে মৃতকক বচাবলৈ আচামী সকলক বাধা আৰোপ কৰে তেতিয়া ১ নং আচামীয়ে তেওঁক লাঠিৰে মৰিয়াই। অভিযুক্ত সকলে মৃতকক নিৰ্বিচাৰে মাৰপিট কৰে । অৱশেষত মৃতক গাওঁ পঞ্চায়তৰ কাৰ্যালয়ত ঢলি পৰে । গোচৰীয়া পক্ষৰ ৫নং সাক্ষী আৰু অন্য লোকে তেওঁক ততাতৈয়াকৈ চৰকাৰী চিকিৎসালয়লৈ লৈ যায় । চিকিৎসকৰ উপদেশ মতে তেওঁলোকে আৰক্ষী থানাত এটা গোচৰ তৰে আৰু আৰক্ষী থানাই গোটেইকেইজন অভিযুক্তৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ধাৰা ১৪৭, ১৪৮, ৪৪৮, ৩০৭, ৩২৭ ৰ সৈতে ধাৰা ১৪৯ ত গোচৰ ৰুজু কৰে । শেষত মৃতকে পোৱা আঘাটৰ বাবে মৃত্যু হয় । আৰক্ষীয়ে অভিযুক্তসকলক গ্ৰেপ্তাৰ কৰি তদন্ত শেষ কৰি অভিযোগনামা দাখিল কৰে । বিচাৰ আদালতে সকলো অভিযুক্তক ১৮৬০ চনৰ ভাৰতীয় দণ্ড বিধিৰ ধাৰা ১৪৭, ১৪৮, ৪৪৮ ৰ সৈতে ধাৰা ১৪৯ আৰু ৩০২ ৰ সৈতে ধাৰা ১৪৯ আৰু ৩২৪ ৰ সৈতে ধাৰা ১৪৯ ৰ অধীনত দোষী সাব্যস্ত কৰি তেওঁলোকক শাস্তি প্ৰদান কৰে । উচ্চ ন্যায়ালয়ে আপীল আবেদনত অভিযুক্ত নং ১ ,৩, ৭, ৮, ৯, ১২ আৰু ১৩ ক দোষী সাব্যস্ত কৰি দিয়া ৰায় বাহাল ৰাখি বাকী আচামী সকলক দোষমুক্ত কৰে । সেয়েহে, এই আপীল আচামী নং ৭ ,৮, ৯ আৰু ১৩ য়ে দাখিল কৰিছে । আচামী পক্ষই দাবী কৰিছে যে মূলত মৃতকৰ লগত সম্পৰ্ক থকা সাক্ষীৰ সাক্ষ্যৰ ওপৰত ভিত্তি কৰি তেওঁলোকক দোষী সাব্যস্ত কৰা হৈছে । ইয়াৰোপৰি যদিও আচামী সকলক কৰা দোষাৰোপন সম্পূৰ্ণৰূপে গ্ৰহণ কৰা হয় তথাপিও গোচৰটো ভাৰতীয় দণ্ড বিধিৰ ৩০২ ধাৰাত অপৰাধ কৰাটো প্ৰমাণিত নহয় ।

আদালতে আপীল আংশিকভাৱে মঞ্জুৰ কৰে ।

গ্ৰাহ্য কৰা হ'ল- ১.১ গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়াত গুচৰীয়া পক্ষৰ ভাস্য অধিক গ্ৰহণযোগ্য হোৱাৰ ক্ষেত্ৰত সম্পৰ্কীয় হোৱাটোৱে সাক্ষী এজনৰ বিশ্বাস যোগ্যতাক প্ৰভাৱিত কৰা কোনো কাৰক হব নোৱাৰে । সম্পৰ্ক থকা মানেই আচল অপৰাধীসকলক লুকুৱাই থৈ নিৰপৰাধীক অভিযুক্ত সাজিব তেনে হোৱা প্ৰায়ে দেখা পোৱা নাযায় । মিছা অভিযোগেৰে অভিযুক্ত কৰা বুলি দাবি উত্থাপন কৰিলে সেইটোৰ সমথৰ্নত সুনিশ্চিত আৰু উপযুক্ত তথ্য প্ৰদান দিব লাগিব।

তেনেক্ষেত্ৰত আদালতে সাক্ষ্যৰ বিশ্বাস যোগ্যতা জানিবলৈ সেই সাক্ষ্য বিশ্লেষণৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিব লাগিব। (দফা- ৮) [৫৬৭- চি- ডি]

১.২ সাক্ষীসকল ঘনিষ্ঠ আত্মীয় হোৱা আৰু ফলস্বৰূপে পক্ষপাতিত্ব হোৱা কোনো যুক্তি থাকিব নোৱাৰে । (দফা নং -১১) [৫৬৮ চি]

দলিপ সিং আৰু অন্যান্য বনাম পাঞ্জাব চৰকাৰ, এ,আই,আৰ (১৯৫৩) এছ. চি. ৩৬৪; গুলী চান্দ আৰু অন্যান্য বনাম ৰাজস্থান চৰকাৰ (১৯৭৪) ৩ এচ.চি.চি ৬৯৮; ভাদীভেলু থেৱাৰ বনাম মাদ্ৰাজ চৰকাৰ এ.আই.আৰ. (১৯৫৭) এছ. চি. ৬১৪; মাছলটি আৰু অন্যান্য বনাম উত্তৰ প্ৰদেশ চৰকাৰ এ.আই.আৰ. (১৯৬৫) এছ. চি. ২০২ আৰু পাঞ্জাৱ চৰকাৰ বনাম জাগিৰ সিং এ.আই. আৰ. (১৯৭৩) এছ. চি. ২৪০৭ আৰু লেহনা বনাম হাৰিয়ানা চৰকাৰ (২০০২) ৩ এছ,চি,চি ৭৬ আদি গোচৰৰ ৰায়ৰ ওপৰত আস্থা প্ৰকাশ কৰা হৈছে ।

১.৩ অভিযুক্ত-আপীলকাৰীয়ে এই বুলি দাবী কৰিছে যে কিছুমান সাক্ষীৰ সাক্ষ্যৰ গ্ৰহণযোগ্যতা নথকা বাবেই গোচৰীয়া পক্ষৰ গোচৰটো নচাৎ কৰিব নোৱাৰি । আচলতে "এটা কথা মিছা মানেই সকলোবোৰ মিছা" এই নীতিৰ প্ৰয়োগৰ বাবে প্ৰাৰ্থনা জনোৱা হৈছে। এই আবেদন স্পষ্ট ভাবে অগ্ৰহণযোগ্য। যদিওবা সাক্ষ্যৰ অধিকাংশ সাক্ষ্যই বিসংগতিপূৰ্ণ হয় আৰু ৰৈ যোৱা আংশিক সাক্ষ্য খিনি অভিযুক্তক দোষী সাব্যস্ত কৰাৰ কাৰণে যথেষ্ট আৰু যদিওবা তেওঁৰ সহ-অভিযুক্তক দোষমুক্ত কৰা হৈছে তথাপিও তেওঁক দোষী সাব্যস্ত কৰা ৰায় বাহাল ৰাখিব পৰা যায় । এইটো আদালতৰ দায়িত্ব কেনেকৈ মিছাৰ পৰা সচাঁটোক টানি উলিয়াই আনিব পাৰি । বিসংগতিপূৰ্ণ সাক্ষ্যৰ বাবে সহ-অভিযুক্ত সকল দোষমুক্ত হয় যদিও এজন অভিযুক্ত ব্যক্তিৰ দোষী সাব্যস্ত কৰিবলৈ পৰ্যাপ্ত প্ৰমাণ থাকে, তেন্তে আদালতে তেওঁক দোষী সাব্যস্ত কৰিব পাৰে, যদিও আনৰ বিৰুদ্ধে সাক্ষ্য পৰ্য্যাপ্ত নহয়। (দফা -১৩) [৫৬৯]

১.৪ এজন নিৰ্দিষ্ট মুখ্য সাক্ষীৰ মিছা সাক্ষ্যই গোটেই গোচৰটো আৰাম্ভনীৰে পৰা শেষলৈকে নচাৎ নকৰে। "কাৰোবাৰ এটা কথা মিছা হ'লে তেওঁৰ সকলো কথাই মিছা প্ৰতিপন্ন হয়" এই প্ৰবাদ শাৰী ভাৰতবৰ্ষত প্ৰযোজ্য নহয় আৰু সাক্ষীসকলক মিছলীয়া বুলি বদনাম দিব নোৱাৰি । সাধাৰণতে এই প্ৰবাদ শাৰীৰ কোনো গ্ৰহণযোগ্যতা নাই আৰু আৰু ই আইনৰ মজিয়াত আইনৰ নীতি হিচাবেও কোনো ঠাই পোৱা নাই । এইটো মাত্ৰ এটা সাৱধানতাৰ নিয়ম। মুল কথাটো হ'ল এনেধৰণৰ ঘটনাত সাক্ষ্য সমূহ অগ্ৰাহ্য কৰিব পাৰি কিন্তু কৰিবই লাগিব বুলিও কোনো কথা নাই। এই প্ৰবাদটো মাত্ৰ কোনো এটা পৰিস্থিতিৰ ওপৰত সাক্ষ্যৰ কিমান

গ্ৰহণযোগ্যতা তাক নিৰূপণ কৰিবৰ কাৰণেহে আদালতত প্ৰয়োগ হয় কিন্তু ইয়াক সাক্ষ্য নিৰূপণৰ ধৰা-বন্ধা নিয়ম হিচাবে ধৰা নহয় । ( দফা-১৩) [৫৬৯ ই -জি]

নিছাৰ আলী বনাম উত্তৰ প্ৰদেশ চৰকাৰ এ.আই. আৰ. (১৯৫৭) এছ. চি. ৩৬৬; ছুচা সিং বনাম আৰু অন্যান্য বনাম পাঞ্জাব চৰকাৰ (২০০৩) ৬ জে.টি. এচ. চি. ৩৪৮ , ইছৰাৰ বনাম উত্তৰ প্ৰদেশ চৰকাৰ (২০০৫) ৯ এছ.চি.চি. ৬১৬ আৰু এছ. সুদৰ্শন ৰেড্ডী বনাম অন্ধ্ৰ প্ৰদেশ চৰকাৰ এ. আই. আৰ. (২০০৬) এছ. চি. ২৭১৬ আদি গোচৰৰ ৰায়ৰ ওপৰত আস্থা প্ৰকাশ কৰিছে ।

২. এই আদালতে ফৌজদাৰী আপীল নং ২২২/২০০৭ ত কিছুমান সহ-অভিযুক্তৰ গোচৰৰ মোকাবিলা কৰিবলৈ সুযোগ পাইছে আৰু এই সিদ্ধান্তত উপনীত হৈছে যে এই গোচৰত প্ৰকৃত দোষী সাব্যস্তৰ ধাৰা ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ ৰ পৰিবৰ্তে ৩০৪ ৰ প্ৰথম অংশ প্ৰযোজ্য হব। সেইমতেই আপীলকাৰীৰক কাৰাদণ্ড বিহা ধাৰা ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ ৰ লগত ধাৰা ১৪৯ ৰ পৰিবৰ্তে ধাৰা ৩০৪ ৰ প্ৰথম অংশৰ লগত ধাৰা ১৪৯ কৰা হ'ল । উচিত ন্যায়ৰ বাবে শাস্তি হিচাপে ১০ বছৰ কাৰাবাস খটাৰ হুকুম দিয়া হ'ল। সেইমতেই যি ধাৰাত দোষী সাব্যস্ত কৰি শাস্তি প্ৰদান কৰা হৈছিল সেই ধাৰা সলাই শাস্তি প্ৰদান কৰা হ'ল । (দফা -১৬) [৫৭০ চি-ই]

সহায় লোৱা গোচৰ সমূহ-

এ,আই, আৰ (১৫৩) এছ, চি ৩৬৪ সহায় লোৱা দফা -৯
(১৯৭৪) ৩ এছ,চি,চি ৬৯৮ সহায় লোৱা দফা -১০
এ,আই, আৰ (১৯৫৭) এছ, চি ৬১৪ সহায় লোৱা দফা -১০
এ,আই, আৰ (১৯৬৫) এছ, চি ২০২ সহায় লোৱা দফা -১২
এ,আই, আৰ (১৯৭৩) এছ, চি ২৪০৭ সহায় লোৱা দফা -১৩
(২০০২) ৩ এছ, চি, চি ৭৬ সহায় লোৱা দফা -১৩
এ,আই, আৰ (১৯৫৭) এছ, চি ৩৬৬ সহায় লোৱা দফা -১৩
(২০০৩) ৬ জে, টি এচ, চি ৩৪৮ সহায় লোৱা দফা -১৪
(২০০৫) ৯ এছ, চি, চি ৬১৬ সহায় লোৱা দফা -১৪
এ,আই, আৰ (২০০৬) এছ, চি ২৭১৬ সহায় লোৱা দফা -১৫

**ফৌজদাৰী আপীল ক্ষেত্ৰাধিকাৰ**: ফৌজদাৰী আপীল নং **১১৮২/২০০৮**

পন্নম চান্দৰিয়া বনাম অন্ধ্ৰ প্ৰদেশ চৰকাৰ

[ন্যায়াধীশ ড° অৰিজিৎ পাচায়ত]

অন্ধ্ৰ প্ৰদেশ উচ্চ ন্যায়ালয় ন্যায়পালিকা, হায়দৰাবাদ, ফৌজদাৰী আপীল নং- **১৩০** চন ২০০৫, দিনাংক ২৭/০৭/২০০৬ ৰ ৰায়দান আৰু হুকুমৰ পৰা উদ্ভৱ হোৱা আৰু লগতে ফৌজদাৰী আপীল নং- **১১৮৩** চন ২০০৮

আপীলকাৰীৰ হৈ অধিবক্তা সকল- কে. আমেৰেস্বৰী, ভি. আৰ. ৰেড্ডী , পি. ভেংকট ৰেড্ডী, অনিল কুমাৰ টোপলে, ভি. জি. প্ৰগাছম, এছ. জে. এৰিষ্টটল আৰু প্ৰভু ৰামাসুব্ৰমনিয়ান।

উত্তৰদাতাৰ অধিবক্তা- ডি. ভাৰাথী ৰেড্ডী

ৰায় প্ৰদান কৰিছে ন্যায়াধীশ ড° অৰিজিৎ পাচায়ত ৰ বিচাৰপীঠে -

১. অনুমতি প্ৰদান কৰা হ'ল।

২. আপীলকাৰীয়ে অন্ধ্ৰ প্ৰদেশ উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে দিয়া ৰায়ৰ শুদ্ধতাক লৈ প্ৰশ্ন উত্থাপন কৰিছে ।

৩. আপীলকাৰীকে ধৰি মুঠ **১৬** জন অভিযুক্ত ভাৰতীয় দণ্ড বিধিৰ ধাৰা **১৪৭**, **১৪৮**, **৪৪৮** ৰ লগত ধাৰা **১৪৯**, ধাৰা ৩০২ লগতে ধাৰা **১৪৯** আৰু ধাৰা ৩২৪ ৰ লগতে ধাৰা **১৪৯**ত অপৰাধ কৰাৰ অভিযোগত কৰিমনগৰৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ আদালতত বিচাৰৰ সন্মুখীন হয় । আপীল আবেদনত উচ্চ ন্যায়ালয়ে বিচাৰ আদালতে দিয়া যাৱজ্জীৱন কাৰাদণ্ড আচামী নং **১**, ২, ৩, ৭, ৮, ৯, **১২** আৰু **১৩** ৰ ক্ষেত্ৰত বাহাল ৰাখে আৰু বাকী আচামী সকলক দোষমুক্ত কৰে। এই আপীল আচামী নং **১**, ২, ৩, ৭, ৮, ৯ আৰু **১৩** য়ে দাখিল কৰিছে ।

৪. ঘটনাৰ সংক্ষিপ্ত বিৱৰণ তলত উল্লেখ কৰা হ'ল:

গোচৰীয়া পক্ষৰ সাক্ষী নং ১ ,২, ৩, ৪ আৰু ৫ হ'ল ক্ৰমে মৃতকৰ পত্নী, মৃতকৰ দেউতাক, মৃতকৰ মাক, মৃতকৰ ভাই আৰু মৃতকৰ বৌয়েক। আচামী, মৃতক আৰু সাক্ষীসকল নেৰুকুল্লা গাঁওৰ বাসিন্দা । মৃতকে এখন অটোৰিক্সা কিনিছিল আৰু সেইখন চুলঠানাবাদ আৰু

নেৰুকুল্লা গাঁওৰ মাজত চলাইছিল। ০২/০৭/২০০3 তাৰিখে নিশা প্ৰায় ৯ মান বজাত মৃতক চুলঠানাবাদৰ পৰা অটোৰিক্সা চলাই ঘৰলৈ উভতি আহি গোচৰীয়া পক্ষৰ সাক্ষী নং ১ ,২ আৰু ৩ ক জনাইছিল যে, তেওঁৰ অটোৰিক্সা খন অটোৰিক্সা আস্থানত ৰখাই থোৱা অৱস্থাত আচামী নং ১ আৰু ২  অটোৰিক্সাৰ আস্থানলৈ আহিছিল আৰু মৃতকে তেতিয়া তেওঁৰ অটোৰিক্সাত ক্ৰমিক নম্বৰ অনুযায়ী উঠিবলৈ অনুৰোধ কৰিছিল । কিন্তু তেওঁলোকে তেওঁৰ অটোত উঠিবলৈ অমান্তি হৈছিল আৰু তেওঁক মাৰ পিট কৰিছিল।  ০৩/০৭/২০০3 তাৰিখে ৰাতিপুৱাই মৃতক আৰু গোচৰীয়া পক্ষৰ ১নং সাক্ষী গাঁওৰ মুখিয়ালৰ ঘৰলৈ যায় আৰু ঘটনাৰ সবিশেষ জনায় । সেই বিষয়ে  গাঁওৰ মুখিয়ালে ১নং আচামীক মাতি আনি ঘটনাৰ বিষয়ে জনোৱাত ১নং আচামীয়ে গোচৰীয়া পক্ষৰ সাক্ষী নং ৯ আৰু ১০ ৰ আগত তেওঁৰ দোষ স্বীকাৰ কৰে । সেইদিনাই সন্ধিয়া প্ৰায় ৬ মান বজাত আচামী নং ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩, ১৪, ১৫ আৰু ১৬ মৃতকৰ ঘৰলৈ আহে আৰু মৃতকক আক্ৰমণ কৰে । আচামী নং ১য়ে মৃতকক লাঠিৰে মাৰপিত কৰে। মৃতক তেতিয়া ঘৰৰ ভিতৰলৈ লৰ মাৰে আৰু ভিতৰৰ পৰা দুৱাৰৰ চিটকানি লগাই দিয়ে। সেই সময়তে যেতিয়া গোচৰীয়া পক্ষৰ সাক্ষী নং২ য়ে মৃতকক বচাবলৈ চেষ্টা কৰে তেতিয়া আচামী নং ১ য়ে তেওঁক লাঠিৰে মাৰপিত কৰে। আচামী নং ৩ য়ে দুৱাৰখন ভাঙি পেলাই আৰু সকলো আচামী ঘৰৰ ভিতৰত সুমাই মৃতকক মাৰপিত কৰে। কেইজনমান আচামীয়ে হাতত কুঠাৰ আৰু লোহাৰ মাৰি লগত লৈ আহিছিল। তেওঁলোকে মৃতকক নিৰ্ম্মমভাৱে প্ৰহাৰ কৰিছিল। মৃতক ঘৰৰ পৰা ওলাই দৌৰ মাৰিছিল। সকলো আচামীয়ে তেওঁক পিছে পিছে খেদি নিয়ে আৰু যধে মধে মাৰপিত কৰে। অৱশেষত আঘাট প্ৰাপ্তহৈ মৃতক গাওঁ পঞ্চায়তৰ কায্যালয়ত ঢলি পৰে । শেষত, মৃতকক এখন অটোৰিক্সাৰে চুলঠানাবাদৰ চৰকাৰী চিকিৎসালয়লৈ লৈ যোৱা হয় । চিকিৎসকৰ পৰামৰ্শ মতে তেওঁলোকে আৰক্ষী থানালৈ গৈ এখন এজাহাৰ দাখিল কৰে যি খন প্ৰদৰ্শক-১ হিচাবে চিহ্নিত কৰা হৈছে। প্ৰদৰ্শক-১ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধি, ১৮৬০ ৰ ধাৰা ১৪৭, ১৪৮, ৪৪৮, ৩০৭, ৩২৭ৰ লগত ১৪৯ ধাৰাত এটা গোচৰ ৰুজু কৰে। তাৰ পিছত আঘাতপ্ৰাপ্ত মৃতক আৰু গোচৰীয়া পক্ষৰ সাক্ষী নং২ ক কৰিমনগৰ চৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় । চিকিৎসাধীন হৈ থাকোতেই মৃতকৰ মৃত্যু হয় । মৃতকৰ মৃত্যুৰ পিছত গোচৰৰ ধাৰা সমূহ সলনি কৰা হয় । আৰক্ষী পৰিদৰ্শকে ঘটনাৰ তদন্ত আৰম্ভ কৰে। তদন্ত কালত তেওঁ ঘটনাস্থলী পৰিদৰ্শন কৰে, ঘটনাৰ এখন থুলমুল মানচিত্ৰ প্ৰস্তুত কৰে, মৃতদেহটোৰ ওপৰত চুৰতহাল কৰে, ঘটনাত ব্যৱহৃত সামগ্ৰী ১ আৰু ২ জব্দ কৰে, আৰু শেষত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে পঠাই দিয়ে । আচামী সকলক গ্ৰেপ্তাৰ কৰা হয় আৰু লগতে ঘটনাত

ব্যৱহৃত অস্ত্র সমূহ উদ্ধাৰ কৰে । তদন্ত সমাপ্ত হোৱাত আৰক্ষী বিষয়াই অভিযোগনামা দাখিল কৰে । আচামী গণে অভিযোগ সমূহ অস্বীকাৰ কৰে আৰু বিচাৰ প্ৰক্ৰিয়াৰ সন্মুখীন হ্বলৈ প্ৰস্তুত হয়।

গোচৰীয়া পক্ষই আচামীগণক দোষী সাব্যস্ত কৰিবলৈ গোচৰীয়া পক্ষৰ সাক্ষী ক্ৰমে ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২১ আৰু ২২ ৰ সাক্ষ্য গ্ৰহণ কৰে আৰু তথ্যপাতি বোৰ আদালতত প্ৰদৰ্শক হিচাবে প্ৰদৰ্শক-১ ৰ পৰা প্ৰদৰ্শক-৩9 লৈ চিহ্নিত কৰে । আচামী পক্ষৰ হৈ কোনো মৌখিক সাক্ষ্য দাখিল কৰা হোৱা নাছিল কিন্তু ফৌজদাৰী আইনৰ ধাৰা ১৬১ ত লোৱা গোচৰীয়া পক্ষৰ সাক্ষী নং ৩ ৰ জবানবন্দীৰ কিছু অংশ প্ৰদৰ্শক-১ হিচাবে চিহ্নিত কৰা হয় ।

৫. উচ্চ ন্যায়ালয়ে একেটা ৰায়ৰ জৰিয়তে ২০০5 চনত চাৰিখন ফৌজদাৰী আপীল ক্ৰমে আপীল নং ১১১৪, ১১২৮, ১১৩০, ১১৫০ নিষ্পত্তি কৰে ।

৬. আপীল আবেদনত আচামী গণৰ সমথৰ্নত অধিবক্তাই এইবুলি যুক্তি দাঙি ধৰে মুলতঃ মৃতকৰ সম্পৰ্কীয় সাক্ষী সাক্ষ্যৰ ওপৰত ভিত্তি কৰি আচামীসকলক দোষী সাব্যস্ত কৰা হৈছে । ইয়াৰোপৰি যদিও আচামীসকলৰ ওপৰত কৰা দোষাৰোপন সম্পূৰ্ণৰূপে গ্ৰহণ কৰা হয় তথাপিও গোচৰটো ভাৰতীয় দণ্ড বিধিৰ ৩০২ ধাৰাত অপৰাধ কৰাটো প্ৰমাণিত নহয় ।

৭. আনহাতে উত্তৰদাতাৰ হৈ চৰকাৰী অধিবক্তাই বিচাৰ আদালতৰ ৰায়কে সমথৰ্ন কৰে।

৮. গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়াত গুচৰীয়া পক্ষৰ ভাস্য অধিক গ্ৰহণযোগ্য হোৱাৰ ক্ষেত্ৰত সম্পৰ্কীয় হোৱাটোৱে সাক্ষী এজনৰ বিশ্বাস যোগ্যতাক প্ৰভাৱিত কৰা কোনো কাৰক হ্ব নোৱাৰে । সম্পৰ্ক থকা মানেই আচল অপৰাধীসকলক লুকুৱাই থৈ নিৰপৰাধীক অভিযুক্ত সাজিব তেনে হোৱা প্ৰায়ে দেখা পোৱা নাযায় । মিছা অভিযোগেৰে অভিযুক্ত কৰা বুলি দাবি উত্থাপন কৰিলে সেইটোৰ সমথৰ্নত সুনিশ্চিত আৰু উপযুক্ত তথ্য প্ৰদান দিব লাগিব। তেনেক্ষেত্ৰত আদালতে সাক্ষ্যৰ বিশ্বাস যোগ্যতা জানিবলৈ সেই সাক্ষ্য বিশ্লেষণৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিব লাগিব।

৯. দলিপ সিং আৰু অন্যান্য বনাম পাঞ্জাব চৰকাৰ ( এ.আই. আৰ ১৯৫৩ এছ. চি ৩৬৪) গোচৰৰ দৰকাৰী অংশ তলত উল্লেখ কৰা হ'ল:-

"এজন সাক্ষীক নিৰপেক্ষ বুলি ধৰা হয় যেতিয়ালৈ তেওঁ কোনো উৎসৰ দ্বাৰা প্ৰভাৱিত নহয় বিশেষকৈ যেতিয়া তেওঁৰ আচামীৰ লগত কোনো শত্ৰুতা নাথাকে যাৰ কাৰণে তেওঁ আচামীক মিছাকৈ সাঙোৰ খুৱাব। সাধাৰণতেই এটা ঘনিষ্ঠ সম্পৰ্কই প্ৰকৃত অপৰাধীক লুকুৱাই ৰাখি নিৰপৰাধীক মিছাকৈ সাঙোৰ খুৱাই। এইটোও ঠিক যে যেতিয়া মানুহৰ কাৰোবাৰ ওপৰত খং উঠি থাকে লগতে ব্যক্তিগত কিবা আখেজ থাকে তেতিয়া কোনো নিৰীহক মিছাতেই আক্ৰোশৰ কাৰণে তেওঁক সাঙোৰ খুৱাই তেওঁৰ বিৰুদ্ধে সাক্ষ্য দিয়ে । কিন্তু এনে সমালোচনাৰ ভিত্তি স্থাপন কৰিব লাগিব আৰু কেৱল সম্পৰ্ক থকাটো, যাৰ কোনো ভিত্তি স্থাপন কৰা নহয়, সেই সম্পৰ্কই প্ৰায়ে সত্যৰ নিশ্চয়তা প্ৰদান কৰে । কিন্তু সকলোবোৰ গোচৰতে যে এইটোৱেই হয় তাক কব বিচৰা নাই। প্ৰতিটো গোচৰৰ বিচাৰ নিজস্ব তথ্যৰ ওপৰত হ'ব লাগিব। আমি এইটো নিৰিক্ষণ কৰাৰ এটাই কাৰণ যে এইটো এটা সাধাৰণ নিয়ম হিচাবে আমাৰ আগত দাঙি ধৰা হয়, যাক প্ৰতিৰোধ কৰিব লাগে। তেনেকুৱা কোনো সাধাৰণ নিয়ম নাই। প্ৰতিটো গোচৰ নিজস্ব তথ্য পাতিৰ দ্বাৰা পৰিচালিত আৰু তাতেই সীমাৱদ্ধ" ।

১০. ওপৰত উল্লেখিত গোচৰৰ সিদ্ধান্ত গুলীছান্দ আৰু অন্যান্য বনাম ৰাজস্থান চৰকাৰ (১৯৭৪ (৩) এছ. চি.চি ৬৯৮), ভাদীভেলু থেৱাৰ বনাম মাদ্ৰাজ চৰকাৰ (এ.আই. আৰ ১৯৫৭ এচ.চি ৬১৪) গোচৰৰ সিদ্ধান্তৰ ওপৰত আস্থা প্ৰকত কৰিছিল।

১১. আমি এইটোও পৰ্য্যবেক্ষণ কৰিছো যে এইটো প্ৰায়ে দাবি কৰা হয় এজন সাক্ষী কোনো এটা পক্ষৰ সম্পৰ্কীয় আৰু সেইবাবেই তেওঁ পক্ষপাতিত্ব সাক্ষী আৰু তেওঁৰ সাক্ষ্যৰ কোনো মূল্য নাই। এই সুত্ৰটো আদালতে দলিপ সিংৰ গোচৰত ঠিতাতে ৰদ কৰি দিছিল কিন্তু আমি এটা কথা লক্ষ্য কৰিছিলো আৰু আচৰিতো হৈছিলো যে বহুতো অধিবক্তাৰ মনত এইটো ধাৰণা যে সম্পৰ্ক থকা লোক কেতিয়াও নিৰপেক্ষ সাক্ষী হব নোৱাৰে । ন্যায়াধীশ ভিভিয়ান বসুৰ বক্তব্যৰ এক অৱলোকন কৰা হ'ল:

"আমি সন্মানীয় উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সকলৰ লগত একমত হবলৈ টান পাইছো যে দুজন প্ৰত্যক্ষ দৰ্শীৰ সাক্ষ্যক বেলেগ কিবা সাক্ষ্যৰ দ্বাৰা সমথৰ্ন কৰাৰ প্ৰয়োজন। যদিহে পৰ্য্যবেক্ষণ টো এনেকুৰা ধৰনৰ হয় যে সাক্ষীসকল মহিলা আৰু তেওঁলোকৰ সাক্ষ্যৰ ওপৰত সাতজন মানুহৰ ভাগ্য জড়িত হৈ আছে, আমি তেনে কোনো নিয়ম নাজানো । আমি একমত নহয় কাৰণ আমি বিশ্বাস কৰোঁ যে মৃতকৰ সৈতে তেওঁলোকৰ সম্পৰ্ক যথেষ্ট শক্তিশালী হোৱাটো কোনো কাৰক নহয়। এনেধৰণৰ ভ্ৰমমূলক যুক্তি প্ৰায়বোৰ ফৌজদাৰী গোচৰত দাঙি ধৰে আৰু এই মিছা যুক্তি বিলাক এই আদালতৰে অন্য এখন বিচাৰপীঠে নচাৎ কৰিবলৈ চেষ্টা কৰিছে, আৰু

গোচৰটো হল- ৰামেশ্বৰ বনাম ৰাজস্থান চৰকাৰ (এ. আই. আৰ. ১৯৫২ এছ. চি. ৫৪ পৃষ্ঠা নং ৫৯) । দুৰ্ভাগ্যজনকভাৱে আমি এতিয়াও এনেধৰণৰ যুক্তি দেখা পাওঁ, কেতিয়াবা কোনো ৰায়দানত নহলে কেতিয়াবা অধিবক্তা সকলে দাঙি ধৰা যুক্তিত"।

১২. মাছলটী আৰু অন্যান্য বনাম উত্তৰ প্ৰদেশ চৰকাৰ (এ.আই. আৰ ১৯৬৫ এচ.চি. ২০২) গোচৰত আদালতে আকৌ এনেদৰে পৰ্যবেক্ষণ কৰিছে: (পৃষ্ঠা ২০৯-২১০ দফা ১৪):

"আমি ভাৱো যে এইটো অযুক্তিকৰ কথা হব যদিহে সাক্ষীসকল পক্ষপাতিত্ব বা সম্পৰ্ক থকা মানেই তেওঁলোকৰ সাক্ষ্য সমূহ অগ্ৰাহ্য কৰিব লাগে ...............

অকল যদি এনেকুৰা কাৰনত সাক্ষ্য সমূহ অগ্ৰাহ্য কৰা হয় তেতিয়া হলে ই ন্যায় প্ৰক্ৰিয়াত হেঙাৰ স্বৰূপ হব। এনেকুৰা কোনো ধৰাবন্ধা নিয়ম বান্ধি দিব নোৱাৰি যে কোনবোৰ সাক্ষ্য বেছি গ্ৰহণযোগ্য বুলি ধৰিব পাৰি। ন্যায় প্ৰক্ৰিয়াত তেনে ধৰণৰ সাক্ষ্য লওতে সাৱধানতা অৱলম্বন কৰিব লাগিব কিন্তু কোনোবাই যদি আবেদন কৰিছে যে সাক্ষীসকল পক্ষপাতিত্ব সাক্ষী আৰু তেওঁলোকৰ সাক্ষ্য অগ্ৰাহ্য কৰক, সেইটোও কিন্তু গ্ৰহণযোগ্য নহয় ।

১৩. পাঞ্জাব চৰকাৰ বনাম জাগিৰ সিং (এ.আই. আৰ ১৯৭৩ এছ. চি. ২৪০৭) আৰু লেহনা বনাম হাৰিয়ানা চৰকাৰ (২০০২(৩) এছ. চি. ২৪০৭) গোচৰ দুটাতো একে প্ৰভাৱ দেখা যায় । আপীলকাৰী-আচামীয়ে দাবী কৰা অনুসৰি কিছুমান সাক্ষীৰ সাক্ষ্য গ্ৰহণ নকৰাৰ বাবেই গোচৰীয়া পক্ষৰ গোচৰটো নচাৎ কৰিব পৰা নগ'ল । তেওঁলোকৰ মূল দাবী যে “কাৰোবাৰ এটা কথা মিছা হ'লে তেওঁৰ সকলো কথাই মিছা প্ৰতিপন্ন হয়", এই প্ৰবাদ শাৰীৰ প্ৰয়োগ হব লাগে । এই ধৰণৰ আপত্তি অগ্ৰহণযোগ্য। আনকি যদি গোচৰটোৰ সাক্ষ্যৰ অধিকাংশ সাক্ষ্যই বিসংগতিপূৰ্ণ হয় আৰু বৈ যোৱা আংশিক সাক্ষ্য খিনি আচামীক দোষী সাব্যস্তৰ কাৰণে যথেষ্ট, তেনে ক্ষেত্ৰতো তেওঁক দোষী সাব্যস্ত কৰিব পাৰি, যদিও তেওঁৰ সহ-আচামীক দোষমুক্ত কৰা হৈছে । এইটো আদালতৰ দায়িত্ব স ঁচাক মিছাৰ পৰা পৃথক কৰা যিদৰে শস্যক ঘাহৰ পৰা পৃথক কৰিব পাৰি । আদালতে যেতিয়াই সঁচাক মিছাৰ পৰা পৃথক কৰিব পাৰিব তেতিয়াই আদালতে একো একো জন আচামীক শাস্তি বিহাৰ বাট মুকলি হৈ থাকে যদিও তেওঁৰ সহ-আচামী সকলক দোষমুক্ত কৰা হয় । এজন নিৰ্দিষ্ট মুখ্য সাক্ষীৰ মিছা সাক্ষ্যই গোটেই গোচৰটো আৰাম্ভনীৰে পৰা শেষলৈকে নচাৎ নকৰে। "কাৰোবাৰ এটা কথা মিছা হ'লে তেওঁৰ সকলো কথাই মিছা প্ৰতিপন্ন হয়" এই প্ৰবাদ শাৰীৰ ভাৰতবৰ্ষত প্ৰযোজ্য নহয় আৰু সাক্ষীসকলক মিছলীয়া বুলি বদনাম দিব নোৱাৰি । সাধাৰণতে এই প্ৰবাদ শাৰীৰ

গ্ৰহণযোগ্যতা নাই আৰু ই আইনৰ মজিয়াত আইনৰ নীতি হিচাবেও কোনো ঠাই পোৱা নাই । এইটো মাত্ৰ এটা সাৱধানতাৰ নিয়ম। মুল কথাটো হ'ল এনেধৰণৰ ঘটনাত সাক্ষ্য সমূহ অগ্ৰাহ্য কৰিব পাৰি কিন্তু কৰিবই লাগিব বুলিও কোনো কথা নাই। এই প্ৰবাদটো মাত্ৰ কোনো এটা পৰিস্থিতিৰ ওপৰত সাক্ষ্যৰ কিমান গ্ৰহণযোগ্যতা তাক নিৰূপণ কৰিবৰ কাৰণেহে আদালতত প্ৰয়োগ হয় কিন্তু ইয়াক সাক্ষ্য নিৰূপণৰ ধৰা-বন্ধা নিয়ম হিচাবে ধৰা নহয় । (দ্ৰষ্টব্য- নিছাৰ আলী বনাম উত্তৰ প্ৰদেশ চৰকাৰ (এ.আই. আৰ. ১৯৫৭ এছ.চি. ৩৬৬) ।

১৪. ওপৰত দিয়া পৰিস্থিতিৰ বহুলভাৱে আলোচনা কৰা হৈছে এই সমূহ গোচৰত - সূছা সিং আৰু অন্যান্য বনাম পাঞ্জাব চৰকাৰ (২০০৩ (৬) জে.টি এচ. চি ৩৪৮), ইছৰাৰ বনাম উত্তৰ প্ৰদেশ চৰকাৰ (২০০5 (৯) এছ. চি.চি. ৬১৬) ।

১৫. এছ. সুদৰ্শন ৰেডডী বনাম অন্ধ্ৰ প্ৰদেশ চৰকাৰ (এ.আই. আৰ. ২০০৬ এছ. চি. ২৭১৬) এই গোচৰত মন্তব্য প্ৰকাশ কৰিছে যে সম্পৰ্কীয় হোৱাটো সাক্ষী এজনৰ বিশ্বাস যোগ্যতাক প্ৰভাৱিত কৰা কোনো কাৰক হব নোৱাৰে- সাধাৰণতেই এটা সম্পৰ্কই প্ৰকৃত অপৰাধীসকলক লুকুৱাই থৈ আন কোনো নিৰপৰাধীক অভিযুক্ত নকৰে - মিছা অভিযোগেৰে অভিযুক্ত কৰা বুলি দাবি উত্থাপন কৰিলে সেইটোৰ সমথৰ্নত সুনিশ্চিত আৰু উপযুক্ত তথ্য প্ৰদান কৰিব লাগিব- ন্যায়ালয়ে সাক্ষীৰ প্ৰমাণ বিশ্লেষণ কৰি ইয়াৰ বিশ্বাসযোগ্যতা জানিবলৈ সাক্ষীসকলৰ প্ৰমাণ বিশ্লেষণ কৰাৰ ক্ষেত্ৰত এক সাৱধান দৃষ্টিভংগী অৱলম্বন কৰিব লাগিব ।

১৬. ফৌজদাৰী আপীল নং ২২২ চন ২০০৭ এই আদালতে কিছুমান সহ-অভিযুক্তৰ গোচৰ মোকাবিলাৰ সুযোগ পাইছিল। সেই গোচৰত আদালতে সামৰনিত এনেদৰে উল্লেখ কৰিছে : "যদিহে সাক্ষ্যৰ তথ্য পাতিৰ ভিত্তিত আৰু ওপৰত দিয়া নীতিৰ আধাৰত বিবেচনা কৰা যায় তেনেহলে ইয়াৰ অনিবাৰ্য্য সামৰণিটো হ'ল যে আচল দোষী সাব্যস্তৰ ধাৰা ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত ধাৰা ৩০২ ৰ পৰিবৰ্তে ধাৰা ৩০৪ ৰ প্ৰথম অংশ প্ৰযোজ্য হব। সেইমতেই আপীলকাৰীৰ দোষী সাব্যস্তৰ ধাৰা ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত ধাৰা ৩০২ ৰ লগতে ধাৰা ১৪৯ ক সলনি কৰি ধাৰা ৩০৪ ৰ প্ৰথম অংশ লগতে ধাৰা ১৪৯ কৰা হ'ল। উচিত ন্যায়ৰ বাবে শাস্তি হিচাপে ১০ বছৰ কাৰাবাস খটাৰ হুকুম দিয়া হ'ল। বেলেগ ধাৰাৰ অপৰাধ কৰাৰ ক্ষেত্ৰতো যদি দোষী সাব্যস্ত হৈছে তেনেহলে সেই ধাৰাত প্ৰদান কৰা শাস্তিত হস্তক্ষেপৰ প্ৰয়োজন নাই। প্ৰদান কৰা সকলো শাস্তি একেলগে চলিব" ।

১৭. ওপৰত উল্লেখিত ফৌজদাৰী আপীল চালি জাৰি চাই এই আপীলসমূহ ওপৰত উল্লেখ কৰা পৰিসৰলৈকে মঞ্জুৰ কৰা হ'ল।

১৮. এই আপীলসমূহ আংশিকভাৱে মঞ্জুৰ কৰা হ'ল ।

অনুবাদকাৰী- মমী বৰা, অধিবক্তা

পৰীক্ষক- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".
(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।” )